# উপসংহাৰ

# উপসংহাৰ

উত্তৰ স্বাধীনতা কালৰ অসমীয়া নাট্যকাৰসকলে পাশ্চাত্যৰ বিভিন্নজন নাট্যকাৰৰ ধ্যান-ধাৰণাৰে নাটক ৰচনা কৰা দেখা যায়। এই নাট্যকাৰসকলৰ ভিতৰত বসন্ত শইকীয়া এজন উল্লেখযোগ্য নাট্যকাৰ। আগৰ অধ্যায়কেইটাত বসন্ত শইকীয়াৰ নাটক আৰু তেওঁৰ নাটক সম্পৰ্কীয় বিভিন্ন দিশসমূহৰ আলোচনা কৰা হ'ল। এই আলোচনাসমূহৰ জৰিয়তে বিভিন্ন দিশ পোহৰলৈ আহিছে। আমাৰ আলোচনাত উত্তৰ স্বাধীনতা কালৰ বিশেষকৈ বিংশ শতিকাৰ শেষৰ অৰ্দ্ধশতাব্দীৰ নাট্যকাৰসকলৰ নাটকসমূহ পৰ্যবেক্ষণ কৰি চাই সেই নাট্যকাৰসকলৰ মাজত বসন্ত শইকীয়াৰ স্থান নিৰূপণ কৰিবলৈ যত্ন কৰা হ'ল।

**বসন্ত শইকীয়াৰ নাটক ঃ এক বিশ্লেষণাত্মক অধ্যয়ন** বিষয়টো আলোচনাৰ সুবিধাৰ বাবে কেইবাটাও অধ্যায়ত বিভক্ত কৰি লোৱা হৈছে। অৱতৰণিকাৰ পিছত প্ৰথম অধ্যায়টোৰ শিৰোনাম **অসমীয়া নাটকৰ ইতিহাস (১৮৫৭ চনৰ পৰা ২০০০ লৈ)**। অধ্যায়টোক ভাগ কৰা হৈছে - ক) অসমীয়া নাটকৰ উন্মেষৰ কাল (১৮৫৭-১৮৮৮) খ) জোনাকী যুগৰ নাটক (১৮৮৯-১৯৪০) গ) উত্তৰ স্বাধীনতা কালৰ নাটক (১৯৪১-২০০০) - এই তিনিটা উপ-অধ্যায়ত। অধ্যায়টোত ১৮৫৭ চনৰ পৰা ২০০০ চনলৈকে অসমীয়া নাটকৰ সংক্ষিপ্ত পৰিচয় দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে।

প্ৰথম উপ-অধ্যায়টোত ১৮৫৭ চনত *ৰাম-নৱমী*ৰ ৰচনাকালৰ পৰা *জোনাকী* কাকতৰ প্ৰচলনৰ সময়লৈকে অসমীয়া নাটকৰ ইতিহাস দাঙি ধৰা হৈছে। সমাজ সংস্কাৰমূলক তিনিখন সামাজিক নাটকেৰে আৰম্ভ হোৱা অসমীয়া নাট্যসাহিত্যত সামাজিক নাটকৰ ধাৰাটো ১৮৯৪ চনলৈকে কিছু পৰিমাণে স্থবিৰ হৈ আছিল। তাত কেনেকৈ আৰু কিয় আহি পৌৰাণিক নাটকৰ ধাৰা লগ লাগিলহি সেই সম্পৰ্কে আলোচনা কৰাৰ লগতে সেই সময়ৰ পৌৰাণিক নাটকসমূহ আৰু নাট্যকাৰসমূহৰ কথা উল্লেখ কৰা হ'ল। লগতে এই সময়ছোৱাত নতুনকৈ আহি সৃষ্টি হোৱা অনুবাদ নাটক আৰু সামাজিক নাটককেইখনৰো আভাস দিয়া হয়।

দ্বিতীয় উপ অধ্যায়টোত লক্ষ্মীনাথ বেজবৰুৱাৰ পৰা আৰম্ভ কৰি অতুলচন্দ্ৰ হাজৰিকালৈকে জোনাকীৰ লগত জড়িত আৰু জোনাকীৰ বাহিৰৰো কেইবাগৰাকীও নাট্যকাৰৰ নাটকসম্পৰ্কীয় আলোচনা দাঙি ধৰা হ'ল। লক্ষ্মীনাথ বেজবৰুৱাৰ পৰা দ্বিতীয় মহাযুদ্ধৰ আগলৈকে ৰচিত অসমৰ পৌৰাণিক, সামাজিক, বুৰঞ্জীমূলক আৰু কাল্পনিক নাটকসমূহৰ পৰিচয় দাঙি ধৰি এই উপ

অধ্যায়টোৰ সামৰণি মৰা হ'ল।

প্ৰথম অধ্যায়ৰ তৃতীয় উপ-অধ্যায়টো হ'ল **উত্তৰ স্বাধীনতাৰ কালৰ অসমীয়া নাটক**। এই উপ অধ্যায়টো আন তিনিটা উপ-অধ্যায়ত বিভক্ত কৰা হ'ল - ক) উত্তৰ স্বাধীনতাৰ কালৰ অসমৰ ৰাজনৈতিক আৰু আৰ্থ-সামাজিক পটভূমি, খ) উত্তৰ স্বাধীনতাৰ কালৰ অসমীয়া নাটকৰ বিভিন্ন পৰিৱৰ্তনসমূহ আৰু গ) উত্তৰ স্বাধীনতাৰ কালৰ প্ৰখ্যাত নাট্যকাৰসকল আৰু তেওঁলোকৰ নাটকসমূহ। উত্তৰ স্বাধীনতাৰ কালৰ অসমৰ ৰাজনৈতিক আৰু আৰ্থ-সামাজিক পটভূমি নামৰ উপ-অধ্যায়টোত ১৯৪০ চনৰপৰা ২০০০ চনলৈকে অসমৰ ৰাজনীতিত সংঘটিত গোটেইবোৰ ঘটনা পটভূমিলৈ আনি সাহিত্যৰ ওপৰত ইয়াৰ প্ৰভাৱ সম্পৰ্কে আভাস দিয়া হৈছে। উত্তৰ স্বাধীনতাৰ কালৰ অসমীয়া নাটকৰ বিভিন্ন পৰিৱৰ্তনসমূহৰ ক্ষেত্ৰত অসমীয়া নাটকলৈ অহা বিষয়বস্তুৰ পৰিৱৰ্তন, পাশ্চাত্যৰ নাট্যকাৰসকলৰ আদৰ্শ আৰু ধ্যান-ধাৰণা গ্ৰহণৰ ক্ষেত্ৰত অহা পৰিৱৰ্তন, নাটকত দেশীয় ঐতিহ্য বিচাৰৰ ক্ষেত্ৰত দেখা দিয়া পৰিৱৰ্তন, লগতে আংগিক আৰু কলাকৌশলৰ ক্ষেত্ৰত দেখা দিয়া পৰিৱৰ্তনসমূহ আলোচনা কৰা হৈছে। এই যুগৰ প্ৰখ্যাত নাট্যকাৰসকল আৰু তেওঁলোকৰ নাটকসমূহৰ আভাস দি উত্তৰ স্বাধীনতা কালৰ প্ৰখ্যাত নাট্যকাৰসকল আৰু তেওঁলোকৰ নাটকসমূহ উপ-অধ্যায়টোত অন্তৰ্ভূক্ত কৰা হ'ল। সাৰদাকান্ত বৰদলৈৰ নাটকতে আৰম্ভ কৰি আলি হাইদৰৰ নাটকত এই অধ্যায়টো সমাপ্ত কৰা হৈছে।

গৱেষণা গ্ৰন্থত সন্নিৱিষ্ট দ্বিতীয় অধ্যায়টো হৈছে **অসমীয়া নাটকত প্ৰাচ্য আৰু পাশ্চাত্য আদৰ্শ**। অধ্যায়টো বিভক্ত হৈছে দুটা উপ-অধ্যায়ত- ক) অসমীয়া নাটকত প্ৰাচ্যৰ আদৰ্শ খ) অসমীয়া নাটকত পাশ্চাত্য আদৰ্শ। প্ৰথম উপ-অধ্যায়টোত *ৰাম-নৱমীৰ* পৰা ২০০০ চনলৈকে প্ৰাচ্য উপাদান প্ৰয়োগ হোৱা অসমীয়া নাটকসমূহৰ এটা থূলমূল আভাস দাঙি ধৰা হ'ল।

**অসমীয়া নাটকত পাশ্চাত্য আদৰ্শ** শীৰ্ষক উপ-অধ্যায়টোত অসমীয়া নাটকত কি কি পদ্ধতিৰে পাশ্চাত্য উপাদান প্ৰৱেশ কৰিছে সেই সম্পৰ্কত আলোচনা কৰা হ'ল। অসমীয়া নাটকলৈ তিনি প্ৰকাৰে পাশ্চাত্য উপাদানৰ আগমন হৈছে- ক) শৈলীৰ যোগেদি, খ) ভাব আদৰ্শ আৰু বিষয়বস্তুৰ যোগেদি আৰু গ) অনুবাদ আৰু অভিযোজনাৰ যোগেদি। এই তিনিওপ্ৰকাৰৰ নাটকসমূহৰ এটা থূলমূল আভাস দিয়া হ'ল। দেখা গৈছে যে এই সময়ছোৱাত অসমৰ নাট্যকাৰসকলে নাট ৰচনাৰ শৈলীৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে পাশ্চাত্যৰ ওপৰতে নিৰ্ভৰ কৰিছিল। আশীৰ দশকতহে অসমীয়া নাটকত নতুন চেতনাৰ উদয় হয় আৰু তেতিয়াৰ পৰাই অসমীয়া নাট্যকাৰসকলে থলুৱা শৈলীৰে নাট পৰিৱেশন কৰিবলৈ লয়। অনুবাদ আৰু অভিযোজনাৰ জৰিয়তে যিবোৰ পাশ্চাত্য নাটক আহি অসমীয়াত প্ৰৱেশ কৰিলেহি সেই নাটকবোৰ নাট্যকাৰসকল আৰু অসমীয়া অনুবাদক-

অভিযোজকসকলৰ নামসমূহ উল্লেখ কৰি দ্বিতীয় অধ্যায়টোৰ সামৰণি মৰা হ'ল।

তৃতীয় অধ্যায়ত সন্নিৱিষ্ট হৈছে **বসন্ত শইকীয়ৰ জীৱন আৰু নাট্যকৃতি** - ক) বসন্ত শইকীয়াৰ জীৱন পৰিক্ৰমা খ) বসন্ত শইকীয়াৰ নাটক গ) বসন্ত শইকীয়াৰ নাটকৰ কাহিনী বিশ্লেষণ ঘ) বসন্ত শইকীয়াৰ নাটকৰ চৰিত্ৰ বিশ্লেষণ, ঙ) বসন্ত শইকীয়াৰ নাটকত চৰিত্ৰ চিত্ৰণৰ বিশেষত্ব আৰু চ) বসন্ত শইকীয়াৰ নাটকত সমাজ চেতনা - এই ছটা উপ-অধ্যায়ত বিভক্ত কৰি এই অধ্যায়টোত বসন্ত শইকীয়াৰ মৌলিক নাটকসমূহৰ আলোচনা আগবঢ়োৱা হৈছে। নাট্যকাৰ গৰাকীৰ ব্যক্তিগত জীৱনৰ পৰিচয় দিয়াৰ লগতে তেওঁৰ নাটকৰ কাহিনীসমূহৰ পৰিচয় দি চৰিত্ৰসমূহ বিশ্লেষণ কৰা হ'ল। চৰিত্ৰ চিত্ৰণৰ বিশেষত্ব আৰু বসন্ত শইকীয়াৰ নাটকত প্ৰতিফলিত সমাজচেতনাৰ কথা উল্লেখ কৰি অধ্যায়টো সমাপ্ত কৰা হ'ল।

চতুৰ্থ অধ্যায়ৰ শিৰোনাম **বসন্ত শইকীয়াৰ নাটকত প্ৰাচ্য-পাশ্চাত্যৰ আদৰ্শ** - এই সম্পৰ্কে আলোচনা কৰিবলৈ গৈ অধ্যায়টো দুটা উপ-অধ্যায়ত বিভক্ত কৰা হ'ল - ক) বসন্ত শইকীয়াৰ নাটকত প্ৰাচ্য উপাদান, খ) বসন্ত শইকীয়াৰ নাটকত পাশ্চাত্য উপাদান। শংকৰদেৱৰ নাট্যশৈলী, জ্যোতিপ্ৰসাদৰ সংলাপৰ প্ৰভাৱ আৰু বিখ্যাত সংস্কৃত নাট্যকাৰ শূদ্ৰকৰ *মৃচ্ছকটিকম* নাটকৰ অসমীয়া ৰূপান্তৰৰ জৰিয়তে বসন্ত শইকীয়াই তেওঁৰ নাটকত কেনেদৰে প্ৰাচ্য নাট্যধাৰাক স্থান দিছে সেই বিষয়ৰ এটা সংক্ষিপ্ত আভাস জ্ঞাপন কৰা হ'ল প্ৰথম উপ-অধ্যায়টোত। নাট্যকাৰ গৰাকীয়ে তেওঁৰ নাটকত বিভিন্ন পাশ্চাত্য নাট্যশৈলী কিদৰে প্ৰয়োগ কৰিছে সেই সম্পৰ্কে বিশদ ব্যাখ্যা দাঙি ধৰা হৈছে বসন্ত শইকীয়াৰ নাটকত পাশ্চাত্য উপাদান শীৰ্ষক উপ-অধ্যায়ত। *মৃগতৃষ্ণা, মানুহ, এজন নায়কৰ মৃত্যু, অসুৰ ভঙুৱা ৰজা, অন্য এক পৰশুৰাম* আদি নাটককেইখনত অভিব্যক্তিবাদ, এবছাৰ্ড, ব্ৰেখটীয় নাট্যশৈলী লুই গি পিৰাণ্ডেলোৰ নাটকৰ প্ৰভাৱ আদি কেনেদৰে দেখা দিছে তাক আলোচনা কৰা হ'ল। বসন্ত শইকীয়াৰ একেখন নাটকতে পাশ্চাত্যৰ বিভিন্ন গৰাকী নাট্যকাৰৰ নাট্যাদৰ্শই ভূমুকি মাৰিও কেনেদৰে নাট্যকাৰগৰাকীৰ স্বকীয় বৈশিষ্ট্য অটুত ৰাখিছে সেই সম্পৰ্কে বিশ্লেষণ কৰা হ'ল।

পঞ্চম অধ্যায়ৰ বিষয় **অসমীয়া নাট্যসাহিত্যত বসন্ত শইকীয়াৰ স্থান**। এই অধ্যায়টিত বসন্ত শইকীয়াৰ স্থান নিৰূপণ কৰিবলৈ গৈ বসন্ত শইকীয়াৰ নাট্য প্ৰতিভা তুলনা কৰিব লগা হয় তেওঁৰ সম-সাময়িক নাট্যকাৰ অৰুণ শৰ্মাৰ লগত। সেয়েহে উপ-অধ্যায়কেইটা ভাগ কৰা হয় এনেদৰে - ক) অসমীয়া নাট্য সাহিত্যত বসন্ত শইকীয়াৰ স্থান, খ) অৰুণ শৰ্মা আৰু বসন্ত শইকীয়াৰ নাট্যকৃতিৰ এক তুলনামূলক আলোচনা, গ) অৰুণ শৰ্মা আৰু বসন্ত শইকীয়াৰ নাটকৰ সাদৃশ্য, ঘ) বসন্ত শইকীয়াৰ নাটকৰ বিশেষত্ব। এগৰাকী অতি প্ৰতিভাসম্পন্ন নাট্যকাৰ হোৱা সত্বেও বসন্ত শইকীয়া নাট্যপ্ৰেমীৰ

মাজত যিমান পৰিচিত নাট্যসমালোচকৰ বাবেহে তাতকৈ বেছি পৰিচিত। ইয়াৰ কাৰণসমূহ নিৰূপন কৰি অৰুণ শৰ্মাৰ *আহাৰ* আৰু *অন্য এক অধ্যায়* আৰু বসন্ত শইকীয়াৰ *মানুহ* আৰু *মৃত্যুদণ্ড* নামৰ একে গুণবিশিষ্ট নাটককেইখনৰ এটা তুলনামূলক আলোচনা আগবঢ়োৱা হ'ল। লগতে দুয়োজন নাট্যকাৰৰ নাটকত নৱপ্ৰজন্মৰ মানসিকতাৰ প্ৰতিফলনৰ সাদৃশ্য এটাও দাঙি ধৰা হ'ল। দুই এটা দিশত সাদৃশ্য থাকিলেও বসন্ত শইকীয়াৰ নাটক কিছুমান সুকীয়া বিশেষত্বৰে পৰিপূৰ্ণ।

অৰুণ শৰ্মা আৰু বসন্ত শইকীয়া দুয়োজন নাট্যকাৰৰ নাটককেইখনৰ বিশ্লেষণৰ অন্তত দেখা পোৱা গ'ল যে অসমীয়া নাট্য সাহিত্যত কেইবাটাও দিশত বসন্ত শইকীয়া অনন্য। অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সন্ত্ৰাসবাদ আদি যিবোৰ বিষয়ে অসমখন পংগু কৰিব বিচাৰিছে সেইবোৰ দিশ নাটকৰ জৰিয়তে পোনপটীয়াকৈ প্ৰকাশ কৰাত বসন্ত শইকীয়া আছিল সিদ্ধহস্ত। একেখন নাটকতে বিভিন্ন নাট্যশৈলী প্ৰয়োগ কৰা সত্বেও তেওঁৰ নাটকত বক্তব্য বিষয় আৰু শৈলী প্ৰয়োগৰ মাজত বিৰোধ ঘটা নাই। *উগ্ৰপন্থী, মৃত্যুদণ্ড, মাজনিশাৰ জুই* আদি নেতিবাচক শিৰোনামৰ নাটকসমূহৰ মাজতো বিচাৰি পোৱা যায় প্ৰেম আৰু মানৱতাৰ জয় গান। সেয়েহে বিষয়বস্তু নিৰ্বাচনৰ দক্ষতা, শৈলী প্ৰয়োগৰ অভিনৱত্ব আৰু বক্তব্য প্ৰকাশৰ নিপুণতাই তেওঁৰ নাটকসমূহক এক অনন্য মাত্ৰা প্ৰদান কৰি অসমীয়া নাট্যসাহিত্যৰ ইতিহাসত বসন্ত শইকীয়াক এখন সুকীয়া আসনৰ অধিকাৰী কৰি ৰাখিলে।

**গৱেষণাৰ সিদ্ধান্তসমূহ ঃ**

প্ৰাক স্বাধীনতা কালৰ অসমীয়া নাটকৰ গতিবিধিৰ লগত উত্তৰ স্বাধীনতা কালৰ অসমীয়া নাটকৰ যথেষ্ট পাৰ্থক্য দেখা যায়। উত্তৰ স্বাধীনতা কালৰ অসম সমস্যাৰে জৰ্জৰিত। অৰ্থনৈতিক সংকট, শ্ৰেণী বৈষম্য, ৰাজনৈতিক মতবিৰোধ, বানপানী, অবৈধ প্ৰব্ৰজন, দুৰ্নীতি আদি এশ এটা সমস্যাত অসম আৰু অসমৰ জনগণ আক্ৰান্ত। বসন্ত শইকীয়াৰ নাটকে এই আটাইবোৰ সমস্যাকে প্ৰতিফলিত কৰিছে। মূলতঃ সামাজিক সমস্যাক লৈ ৰচনা কৰা বসন্ত শইকীয়াৰ নাটকসমূহ অধ্যয়নৰ অন্তত এনেবোৰ সিদ্ধান্তত উপনীত হ'ব পাৰি—

১) অসমীয়া নাট্য সাহিত্যৰ বিকাশ আৰু সমৃদ্ধি সাধনত বসন্ত শইকীয়াৰ সুকীয়া অৱদান আছে।

২) এক গভীৰ দায়বদ্ধতাৰে যোল্লখনকৈ নাটক ৰচনা কৰি এইগৰাকী নাট্যকাৰে অসমীয়া নাটকৰ সমৃদ্ধি সাধন কৰিলে।

৩) পাশ্চাত্য আংগিক বা কলা-কৌশলেৰে বহুকেইখন নাটক ৰচনা কৰিছিল যদিও বসন্ত শইকীয়াৰ নাটকত আংগিক আৰু বিষয়বস্তুৰ সু সমন্বয় সাধন হৈছিল।

৪) যুগ মানসিকতাৰ প্ৰতিচ্ছবি ৰূপায়ণত এইগৰাকী নাট্যকাৰ যে অতি সিদ্ধহস্ত আছিল তেওঁৰ বহুকেইখন নাটকে তাৰ প্ৰমাণ দিয়ে।

৫) তেওঁৰ অধিক সংখ্যক নাটকতে প্ৰতিফলিত হৈ আছে এক উদাৰনৈতিক মানৱতাবাদ।

৬) সংখ্যাগত দিশেৰে নহ'লেও গুণগত দিশৰ পৰা বসন্ত শইকীয়া যুদ্ধোত্তৰ যুগৰ অসমীয়া নাটকৰ এগৰাকী অগ্ৰগণী নাট্যকাৰ।

**বসন্ত শইকীয়াৰ নাটক ঃ এক বিশ্লেষণাত্মক অধ্যয়ন** বিষয়টোৰ অধ্যয়ন আৰু বিশ্লেষণৰ অন্তত অন্যান্য কিছুমান বিষয় অধ্যয়নৰ অৱকাশ থাকি যোৱা দেখা যায়। ভৱিষ্যৎ অধ্যয়নৰ বাবে অৱকাশ থাকি যোৱা বিষয়কেইটা হৈছে — ভৱিষ্যত

**ক) যুদ্ধোত্তৰ অসমৰ ৰাজনৈতিক প্ৰতিচ্ছবি আৰু বসন্ত শইকীয়াৰ নাটক।**

**খ) নাট্য সমালোচক বসন্ত শইকীয়া ঃ এটি সমীক্ষা ।**

**গ) সমাজ বাস্তৱবাদ আৰু বসন্ত শইকীয়াৰ নাটক।**

**ঘ) বসন্ত শইকীয়াৰ নাটকৰ পৰিৱেশন মূল্য ।**

****